# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 09-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

অসম বিধানসভাই ডিব্ৰুগড় বিমান বন্দৰৰ নাম ভাৰতৰত্ন ড° ভূপেন হাজৰিকা বিমান বন্দৰ, ডিব্ৰুগড় নামেৰে নামকৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ আগবঢ়াইছে। আজি দিছপুৰত অনুষ্ঠিত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশনত পৰিবহণ মন্ত্ৰী যোগেন মহনে এই সন্দৰ্ভত উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো সদনে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। সদনত সংকল্প প্ৰস্তাৱ উত্থাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য মন্ত্ৰীসভাই এই সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তমৰ্মে এই সংকল্প প্ৰস্তাৱটো উত্থাপন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অগপৰ নেতা তথা কৃষি মন্ত্ৰী অতুল বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, ডিব্ৰুগড়ৰ বিধায়ক তথা শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনকে ধৰি শাসক-বিৰোধী উভয় পক্ষৰ সকলো বিধায়কে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

০০০০

ৰাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে। অৱশ্যে ৯ খন জিলাৰ প্ৰায় ৩৯০ খন গাঁৱৰ ১ লাখ ৬০ হাজাৰৰো অধিক লোক  এতিয়াও বানৰ কবলত আছে। বানত আজি শ্ৰীভূমি জিলাত এজন লোকে প্ৰাণ হেৰুৱায়। উল্লেখযোগ্য যে, বছৰৰ প্ৰথমটো বান আৰু ভূমিস্খলনত এতিয়ালৈকে ২৭ জন লোকে প্ৰাণ হেৰুৱাইছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে বানপীড়িত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪৩ টা আশ্ৰয় শিবিৰত ছহেজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। ৰাজ্যখনৰ নদীসমূহ বৰ্তমান বিপদসীমাৰ তলেৰে বৈ আছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কামৰূপ, দৰং, মৰিগাঁও, পশ্চিম কাৰ্বি আংলঙকে ধৰি বৰাক উপত্যকাৰ কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০

মণিপুৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বিৰেণ সিঙে ৰাজ্যসভাৰ সাংসদ লেইচেম্বা চানাজাওবাৰ সৈতে ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় নেতাসকলৰ সৈতে আলোচনাৰ বাবে আজি নতুন  দিল্লীলৈ ৰাওনা হয়। ২০২৩ চনৰ মে'ৰ পৰা ৰাজ্যখনত জাতিগত হিংসাৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰম্বাই টেংগল গোটৰ এগৰাকী নেতাক চিবিআইয়ে আটক কৰাৰ পাছতে যোৱা শনিবাৰৰ পৰা উপত্যকা জিলাসমূহত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্যখনৰ সাম্প্ৰতিক হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত যোৱা শনিবাৰৰ পৰা ৫ খন জিলাত ইণ্টাৰনেট আৰু মোবাইল ডাটাৰ সেৱা বন্ধ কৰি থোৱা হৈছে। ৰাজ্যিক বিজেপিৰ নেতা এন বিৰেণ সিঙে ইম্ফল বিমান বন্দৰত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয়, যে মণিপুৰৰ পৰিস্থিতি আজি পৰ্যন্ত অতি গুৰুতৰ হৈ

আছে। এনে সময়ত তেওঁ জনসাধাৰণক সুস্থিৰ হৈ থাকিবলৈ আৰু প্ৰতিবাদৰ সময়ত হিংসাত্মক কাৰ্য এৰাই চলিবলৈ আহ্বান জনায়। ইপিনে, মেইটেই নেতাগৰাকীক মুকলি কৰাৰ দাবীত আৰম্বাই টেংগল গোটে ১০ দিন বন্ধ ঘোষণা কৰা ৰাজ্যখনৰ উপত্যকা জিলাসমূহত বিগত দুদিন ধৰি পৰিস্থিতি গম্ভীৰ হৈ আছে। স্পৰ্শকাতৰ অঞ্চলসমূহত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি বিয়লি মণিপুৰৰ পশ্চিম ইম্ফল জিলাৰ টেৰা চাপাম অঞ্চলত দুৰ্বৃত্তই কেইবাজাই গুলি ফুটোৱাৰ পাছত অঞ্চলটোত সুৰক্ষা বাহিনী নিয়োগ কৰাৰ উপৰি তদন্ত অভিযান চলোৱা হৈছে।

০০০০

নংপো আৰক্ষীয়ে মেঘালয়ত এটা পথ দুৰ্ঘটনাত মৃত্যু হোৱা নম্ৰতা বৰা নামৰ যুৱতীগৰাকীৰ মৃত্যুৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে আজি যুৱতীগৰাকীৰ ৰুক্মিনীগাওঁত থকা ফ্লেটত অভিযান চলাই এটা মোবাইল ফোন জব্দ কৰে। উল্লেখযোগ্য যে সতীৰ্থৰ সৈতে নিশা শ্বিলঙলৈ গৈ থকা অৱস্থাত পথ দুৰ্ঘটনাত যুৱতীগৰাকীয়ে প্ৰাণ হেৰুৱাক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই পথ দুৰ্ঘটনাৰ তদন্ত কৰিবলৈ মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক আহ্বান জনাইছিল।

০০০০

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰেচম বিভাগৰ জিলা পৰ্যায়ৰ বাচনি সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত ৰাজ্যিক স্বঅগ্ৰাধিকাৰ উন্নয়ন -গ্ৰামীনৰ অধীনত এৰী পালনৰ যাৱতীয় সা-সজুলিৰ বিতৰণৰ বাবে ৰেচন উৎপাদনৰ লগত জড়িত বচা বচা মহিলা হিতাধিকাৰীৰ চূড়ান্ত তালিকাত অনুমোদন জনোৱা হয়। ডিব্ৰুগড় জিলাত মুঠ ১২ গৰাকী ৰেচন উৎপাদনৰ লগত জড়িত মহিলা হিতাধিকাৰীক বাচি উলিওৱা হৈছে।

০০০০০

যোৱা ২৩ মে'ত মেঘালয় ভ্ৰমণৰ বাবে আহি দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা মধ্যপ্ৰদেশৰ ইন্দোৰৰ ৰাজা ৰঘুবংশীৰ হত্যাৰ অভিযোগত তেওঁৰ পত্নী সোনম ৰঘুবংশীৰ লগতে আন তিনিজন অভিযুক্তক মেঘালয় আৰক্ষীৰ সহযোগত উত্তৰ প্ৰদেশ আৰক্ষীয়ে যোৱা নিশা গ্ৰেপ্তাৰ কৰে। উত্তৰ প্ৰদেশ আৰক্ষীৰ ওচৰত সোনম ৰঘুবংশীয়ে আত্মসমৰ্পণ কৰাৰ পাছত আজি ৰাজ্যখনৰ উপমুখ্যমন্ত্ৰী প্ৰেষ্টন টিনচঙে মেঘালয় আৰক্ষীৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত সংবাদমেল যোগে এই বিষয়ে প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত